**3 (Sem – 6/CBCS) ASM HC 2**

# 2026

## ASSAMESE

( Honours Core )

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
Nagaon, Assam

Paper : ASM – HC – 6026

*( অসমীয়া লিপিৰ ইতিহাস )*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া ঃ *(যিকোনো দহটা)* ১×১০=১০

(ক) কোনজন পণ্ডিতে প্ৰাক্-গুপ্ত যুগত অসমত প্ৰবেশ কৰা ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ হোৱা বুলি প্ৰথমে মত দিছিল?

(খ) আহোম ৰজাসকলে পুথি লিখিবলৈ সৃষ্টি কৰা খেলটোৰ নাম কি?

(গ) সাঁচিপাত গছৰ কোনটো অংশৰ পৰা প্ৰস্তুত কৰা হয়?

(ঘ) তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

(ঙ) ড০ বিৰিঞ্চিকুমাৰ বৰুৱাই ডবকাৰ ওচৰৰ এখন ঠাইৰ পৰা উদ্ধাৰ কৰা লিপিখনক কি নামেৰে জনা যায়?

(চ) সম্পূৰ্ণ অসমীয়া আখৰত লিখিত বৰ্তমানলৈ উদ্ধাৰ হোৱা প্ৰাচীনতম লিপিখনৰ নাম কি?

(ছ) প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল?

(জ) বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম লিখা।

(ঝ) কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ ঘটা বুলি কোৱা এজন পণ্ডিতৰ নাম লিখা।

(ঞ) 'প্ৰাচ্য শাসনাৱলী' নামৰ গ্ৰন্থৰ প্ৰণেতাগৰাকীৰ নাম লিখা।

(ট) *The Evolution of Assamese Script* নামৰ গ্ৰন্থৰ লেখক কোন?

(ঠ) কায়থেলী লিপি কোনে ব্যৱহাৰ কৰিছিল?

(ড) উমাচল লিপিৰ সময় কি?

(ঢ) কি ধৰণৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয়?

(ণ) কেনে ধৰণৰ লিপিক লেখন-কলাৰ প্ৰথম স্তৰ বুলি কোৱা হয়?

২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) ধ্বনিমূলক লিপিক কি *দুটা* ভাগত ভগোৱা হয়?

(খ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ *দুবিধ* প্ৰাচীন লিপিৰ নাম লিখা।



(গ) 'কুট দিয়া'ৰ অৰ্থ লিখা।

(ঘ) 'জাউ বা ঝাও দিয়া' মানে কি?

(ঙ) অসমৰ বুৰঞ্জী পুথিবোৰত সাধাৰণতে পোৱা লিপি কি শৈলীৰ আছিল? এই শৈলীটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(চ) হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন ক'ৰ পৰা আৱিষ্কাৰ হৈছিল? এই তাম্ৰশাসনৰ পাঠ কোনে উদ্ধাৰ কৰিছিল?

(ছ) 'ব' আৰু 'ৰ' আখৰৰ স্পষ্ট পাৰ্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাখিনি কি ভাষাত লিখা?

(জ) ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা গৈছিল?

৩। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সম্পৰ্ক বিচাৰ কৰা।

(খ) পূৰ্ব ভাৰতীয় লিপিমালাৰ বিষয়ে লিখা।

(গ) টোকা লিখা ঃ

বনমালবৰ্মাৰ তেজপুৰ আৰু পৰ্বতীয়া তাম্ৰশাসন

(ঘ) উমাচল শিলালিপিৰ পৰিচয় দিয়া।

(ঙ) কানাই বৰশীবোৱা শিলালিপিৰ চমু পৰিচয় দিয়া।

(চ) বামুণীয়া বা কায়থেলী লিপিৰ বিষয়ে চমুকৈ লিখা।

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date

(ছ) কুটিল লিপিৰ বিষয়ে এটা টোকা লিখা।

(জ) খৰোষ্ঠী লিপিৰ চমু পৰিচয় দিয়া।

৪। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ ১০×৪=৪০

(ক) অসমীয়া লিপিৰ বিকাশত নগাজৰী খনিকৰ গাঁও শিলালিপিৰ গুৰুত্ব বিচাৰ কৰা।

(খ) কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

(গ) মহী বা চিঞাহী প্ৰস্তুতকৰণ প্ৰণালীৰ বিৱৰণ দাঙি ধৰা।

(ঘ) সাঁচিপাত আৰু তুলাপাত প্ৰস্তুতকৰণৰ বিষয়ে লিখা।

(ঙ) আধুনিক অসমীয়া লিপিৰ বিষয়ে লিখা।

(চ) পুৰণি অসমীয়া লিপিৰ তিনি শৈলীৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই আলোচনা কৰা।

(ছ) প্ৰাচীন কামৰূপী লিপিৰ বিষয়ে আলোচনা কৰা।

(জ) অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰৰ চমু পৰিচয় দাঙি ধৰা।

(ঝ) ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ আলোচনা কৰা।

(ঞ) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

DHEKIL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date
ASSAM